জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬/২০২১

**জলসম্পদ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# চলিত মাহৰ ভিতৰতে ৰূপায়িত হৈ থকা কাম-কাজসমূহ ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ বাবে বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৬ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত জলসম্পদ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি বিভাগৰ শীৰ্ষ বিষয়াসকলক আসন্ন বানপানীৰ ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে বৰ্তমানে ৰূপায়িত হৈ থকা কাম-কাজসমূহ চলিত মাহৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে সমগ্ৰ ৰাজ্যখনৰ মথাউৰিসমূহৰ বিপদ সংকুল স্থানসমূহ চিনাক্ত কৰি যুদ্ধকালীনভাৱে সেইসমূহ মেৰামতি কৰাৰ বাবেও বিভাগক আজি নিৰ্দেশ দিয়ে। বিভাগৰ কামসমূহ যাতে মানসম্পন্ন আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ হয়, সেইটো সুনিশ্চিত কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। প্ৰকল্পৰ বাবে ধাৰ্য কৰা ধনৰাশিৰ যাতে যথোচিত ব্যৱহাৰ হয় তাৰ বাবে এক দায়বদ্ধ ব্যৱস্থা গঢ়ি তোলাৰ লগতে বিত্ত আৰু মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

বানপানীৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে নদীৰ বক্ষ খননৰ সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে সৰ্বাধিক ক্ষয়-ক্ষতিৰ সৃষ্টি কৰা নদীসমূহ চিনাক্ত কৰাৰ লগতে এনে নদীসমূহৰ বক্ষ খননৰ সম্ভাৱনীয়তা ভালদৰে পৰীক্ষা কৰাৰ বাবেও বিভাগক নিৰ্দেশ দিয়ে।

বিভাগটোৰ কাম-কাজৰ মৌলিক সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বান প্ৰতিৰোধ আৰু মেৰামতিৰ আঁচনিসমূহ ৰূপায়ণ কৰোতে সময়সাপেক্ষ আৰু প্ৰযুক্তিগত কৌশল ভালদৰে প্ৰয়োগ কৰাৰ বাবেও বিভাগৰ জ্যেষ্ঠ বিষয়াসকলক নিৰ্দেশ দিয়ে। বিভাগটোক আৰু অধিক কাৰ্যদক্ষ কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভাগটোৰ উন্নীতকৰণ তথা উদ্ভাৱনী আৰু প্ৰযুক্তিগতভাৱে সুদৃঢ় ব্যৱস্থাপনাৰ দিশসমূহ সামৰি এক খচৰা প্ৰস্তাৱ অতিশীঘ্ৰে দাখিল কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, জলসম্পদ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাচি, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ফ্ৰেমা (FREMAA)ৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ সিং, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্নন, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত সচিব ড° জীৱন বি, জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা বৰচিং ৰংপিৰ লগতে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ**
**১৬/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in